**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-03-2026
**Time :** 18-00 Hrs

# ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। ৰাজ্যত বিধানসভা নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলৰ ব্যাপক প্ৰচাৰ। মাৰ্ঘেৰিটা, জোনাইত নীতিন নবীন আৰু নাওবৈচাত মল্লিকাৰ্জুন খাৰ্গেৰ জনসভাত অংশগ্ৰহণ।

২। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত সংশ্লিষ্ট নিৰ্বাচনী জিলাসমূহত ই ভি এম আৰু ভি ভি পেটৰ দ্বিতীয় ৰেণ্ডমাইজেছন সম্পন্ন।

৩। বিধানসভা নিৰ্বাচন সূচাৰুৰূপে পৰিচালনা কৰিবলৈ বিভিন্ন জিলা প্ৰশাসনৰ প্ৰশিক্ষণ আৰু সজাগতা কাৰ্যসূচীৰ আয়োজন। ***আৰু***

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি ৰাংখেড়েত হ'বলগীয়া খেলত মুম্বাই ইণ্ডিয়ানছ - কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি।

ooooo

ৰাজ্যত বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। শাসক-বিৰোধী উভয়ে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি পৰি লাগিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি আৰু নলবাৰীৰ চামতাত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। দুয়োখন সভাত তেওঁ এন ডি এ প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ চলায়। শ্ৰীশ্বাহে সুৰক্ষিত আৰু বিকশিত অসম গঢ়াৰ সংকল্পক অধিক শক্তিশালী কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

বাইট (অমিত শ্বাহ)

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি মাৰ্ঘেৰিটা আৰু জোনাইত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কাৰ্বি আংলং জিলাৰ বোকাজানত দলীয় প্ৰাৰ্থী সূৰ্য ৰংফাৰৰ হৈ প্ৰচাৰ চলায়। তেওঁ লগতে বকলীয়াত ডিফু সমষ্টিৰ প্ৰাৰ্থী নিছ' তেৰাংপী আৰু হাওৰাঘাট সমষ্টিৰ প্ৰাৰ্থী লুনচিং টেৰণৰ হৈ প্ৰচাৰ সভাত অংশ লয়। ড০ শৰ্মাই বৈঠালাংছ'ত আম্ৰি সমষ্টিৰ বিজেপি প্ৰাৰ্থী ড০ হাবে টেৰণৰ হৈও নিৰ্বাচনী প্ৰচাৰ চলায়। তেওঁ এ পি এইছ এল চি দলক কঠোৰ ভাষাৰে সমালোচনা কৰি সমষ্টিটোত এই দলে আন্দোলনৰ বাহিৰে কোনো ধৰণৰ উন্নয়ন সাধিব নোৱাৰে বুলি উল্লেখ কৰে।

ডিব্ৰুগড় জিলাৰ চাবুৱা-লাহোৱাল সমষ্টিৰ বিজেপি প্ৰাৰ্থী বিনোদ হাজৰিকাই সমষ্টিটোৰ কেইবাটাও স্থানত প্ৰচাৰ চলায়। একেদৰে টিংখাং সমষ্টিৰ বিজেপি প্ৰাৰ্থী বিমল বৰা আৰু ডিব্ৰুগড়ৰ প্ৰাৰ্থী প্ৰশান্ত ফুকনে বিভিন্ন স্থানত প্ৰচাৰ অভিযানত অংশ লয়। বিজেপিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই পশ্চিম যোৰহাটৰ বৰআহাম কাঠনি গাঁৱত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। তেওঁ লগতে তিতাবৰত বুথ কাৰ্যকৰ্তা সন্মিলনত অংশ লয়।

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি বিৰোধী প্ৰাৰ্থীৰ হৈ ৰাজ্যত প্ৰচাৰ চলায়। শ্ৰীখাৰ্গেই লখিমপুৰ জিলাৰ নাওবৈচা বিধানসভা সমষ্টিৰ ফটাসূতি ঘাটত আয়োজিত এখন নিৰ্বাচনী সভাত কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ চলোৱাৰ লগতে কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰে।

বাইট (খাৰ্গে)

চৰাইদেউ জিলাৰ চাহবাগিছা অঞ্চলত ভোটদাতাৰ মন জয় কৰাৰ লক্ষ্যৰে আজি ঝাৰখণ্ড মুক্তি মৰ্চাৰ মুৰব্বী হেমন্ত চোৰেণে সোণাৰি সমষ্টিৰ জয় ভাৰত দলৰ প্ৰাৰ্থী বলদেৱ তেলীৰ সমৰ্থনত প্ৰচাৰ অভিযানত ভাগ লয়।

অসম জাতীয় পৰিষদৰ সভাপতি তথা খোৱাং সমষ্টিৰ প্ৰাৰ্থী লুৰিণজ্যোতি গগৈয়ে আজি জকাই, হালধিবাৰী, কলাখোৱা আদি অঞ্চলত ব্যাপকভাৱে নিৰ্বাচনী প্ৰচাৰ চলায়। শিৱসাগৰত বিজেপি প্ৰাৰ্থী কুশল দুৱৰী আৰু ৰাইজৰ দলৰ নেতা অখিল গগৈয়ে প্ৰচাৰ চলাই আছে। বিজেপি প্ৰাৰ্থীগৰাকীয়ে আজি শিৱসাগৰ নগৰৰ আটাইকেইটা ৱাৰ্ডত আঠখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

বাক্সা জিলাৰ মানাহ সমষ্টিত অন্যান্য ৰাজনৈতিক দলৰ লগতে বি পি এফ দলেও নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। ইউ পি পি এলৰ প্ৰাৰ্থী প্ৰমোদ বড়োৰ সমৰ্থনত আজি তামুলপুৰ সমষ্টিত জ্যেষ্ঠ নেতা উৰ্খাও গৌৰা ব্ৰহ্মাই প্ৰচাৰ চলায়। তেওঁ বি পি এফৰ সমালোচনা কৰি বি টি চিত শান্তি-সম্প্ৰীতি বৰ্তাই ৰখাৰ স্বাৰ্থত দলীয় প্ৰাৰ্থীগৰাকীক ভোট দিবলৈ জনসাধাৰণক আহ্বান জনায়।

ইপিনে, গোৱালপাৰা পূব সমষ্টিৰ অগপ প্ৰাৰ্থী আব্দুল ৰহিম জিব্ৰানৰ সমৰ্থনত দলৰ নেতা বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই হেলাপাখিৰিত প্ৰচাৰ সভাত অংশ লয়। বজালী সমষ্টিত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী দিলীপ বৰুৱাই প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। বিৰোধী ঐক্যমঞ্চৰ উমৈহতীয়া প্ৰাৰ্থীগৰাকীয়ে প্ৰতিকূল বতৰকো নেওচি বজালীৰ বাঘমাৰা, নিতানন্দ, মাণিকপুৰ, কঠালবাৰীকে ধৰি বহু অঞ্চলত নিৰ্বাচনী প্ৰচাৰ চলাই আছে।

০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আজি সংশ্লিষ্ট নিৰ্বাচনী জিলাসমূহত ই ভি এম আৰু ভি ভি পেটৰ দ্বিতীয় ৰেণ্ডমাইজেছন সম্পন্ন হয়। এই প্ৰক্ৰিয়া সমগ্ৰ ১২৬ টা বিধানসভা সমষ্টিৰ বাবে সম্পন্ন কৰা হৈছে। প্ৰাৰ্থীসকলৰ প্ৰতিনিধিসকলৰ লগতে দেশৰ নিৰ্বাচন আয়োগে নিয়োজিত কৰা সাধাৰণ পৰ্যবেক্ষকৰ উপস্থিতিত ৰেণ্ডমাইজেছন প্ৰক্ৰিয়া সমাপন কৰা হয়। ৰিটাৰ্ণিং বিষয়াই দ্বিতীয় ৰেণ্ডমাইজেছন প্ৰক্ৰিয়া ই ভি এম মেনেজমেণ্ট ছফটৱেৰৰ জৰিয়তে সম্পন্ন কৰে। উল্লেখযোগ্য যে জিলাসমূহত সম্পন্ন কৰা সম্পূৰ্ণ ৰেণ্ডমাইজেছনৰ পাছত নিৰ্বাচনত ব্যৱহাৰযোগ্য মেচিনৰ সংখ্যা কিছু পৰিমাণে বৃদ্ধি পাইছে। সেই অনুসৰি ৪ টা সহায়ক ভোটগ্ৰহণ কেন্দ্ৰসহ মুঠ ৩১ হাজাৰ ৪৯০ টা কেন্দ্ৰৰ বাবে মুঠ ৪১ হাজাৰ ৩৫৩ টা বেলট ইউনিট, ৪৫ হাজাৰ ৫৭২ টা কণ্ট্ৰ'ল ইউনিট আৰু ৪৪ হাজাৰ ৭৬১ টা ভি ভি পেট আৱণ্টনৰ বাবে নিৰ্ধাৰণ কৰা হৈছে। মাজুলী নিৰ্বাচনী  জিলাতো ই ভি এম আৰু ভি ভি পেটৰ দ্বিতীয় পৰ্যায়ৰ ৰেণ্ডমাইজেছন প্ৰক্ৰিয়া জিলা আয়ুক্তৰ কাৰ্যালয়ত সফলতাৰে সম্পন্ন হয়। নিৰ্বাচন আয়োগৰ নীতি নিৰ্দেশনা অনুসৰি সম্পূৰ্ণ স্বচ্ছ প্ৰক্ৰিয়াৰ জৰিয়তে ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ বাবে মেচিনসমূহ নিৰ্ধাৰণ কৰা হয়। এই সমগ্ৰ প্ৰক্ৰিয়াটো প্ৰাৰ্থীসকলৰ প্ৰতিনিধিসকলৰ উপস্থিতিত ডিজিটেল পদ্ধতিৰে মেচিনসমূহৰ ৰেণ্ডমাইজেছন সম্পন্ন কৰা হয়।

০০০০০

সমাগত বিধানসভা নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বিভিন্ন জিলা প্ৰশাসনে প্ৰশিক্ষণ আৰু সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰিছে। ভোটাৰৰ মাজত সজাগতা সৃষ্টিৰ লক্ষ্যৰে তামুলপুৰ জিলা প্ৰশাসনে আজি তামুলপুৰ চৰকাৰী মজলীয়া বিদ্যালয়ত এখন গুৰুত্বপূৰ্ণ  সজাগতা সভা অনুষ্ঠিত কৰে। গোলাঘাট ভোটাৰ নিৰ্বাচনী শিক্ষা আৰু অংশগ্ৰহণ কোষে আজি ভোটদানৰ গুৰুত্ব তথা ভোটৰ হাৰ বৃদ্ধিৰ লক্ষ্যৰে সজাগতামূলক চাইকেল সমদলৰ আয়োজন কৰে। জিলা আয়ুক্তগৰাকীয়ে পতাকা জোকাৰি এই সমদলৰ শুভাৰম্ভ কৰে। এই সমদলত পেৰাচাইক্লিষ্ট ৰাকেশ বনিকে অংশগ্ৰহণ কৰে। সংহত জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদৰ পৰা আৰম্ভ হৈ পুলিবৰত শেষ হোৱা এই সমদলত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ প্ৰশিক্ষাৰ্থী, জিলা ক্ৰীড়া সংস্থাৰ সদস্য, অঙ্গনবাড়ী কৰ্মী, অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ কৰ্মকৰ্তা আৰু জিলা প্ৰশাসনৰ বিষয়া কৰ্মচাৰীসকলেও অংশগ্ৰহণ কৰে। যোৰহাট নিৰ্বাচনী জিলাতো ভোটাৰ নিৰ্বাচনী শিক্ষা আৰু

অংশগ্ৰহণ কোষৰ উদ্যোগত ভোটাৰৰ সজাগতা বৃদ্ধিৰ বাবে ষ্টিকাৰ প্ৰচাৰ অভিযান চলোৱা হয়। নিৰ্বাচনী জিলাখনত ১০০ শতাংশ ভোটদান নিশ্চিত কৰাৰ উদ্দেশ্যে ৰাজহুৱা স্থান, যান-বাহন আদিত ষ্টিকাৰ লগোৱা হয়। ইপিনে, যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা আয়ুক্ত জয় শিৱানীৰ সভাপতিত্বত অনুষ্ঠিত নিৰ্বাচন সম্পৰ্কীয় এখন বৈঠকত জিলাখনৰ উচ্চপদস্থ আৰক্ষী বিষয়া আৰু চি আৰ পি এফৰ বিষয়ববীয়া উপস্থিত থাকে। সভাত যোৰহাট জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক, অতিৰিক্ত আৰক্ষী অধীক্ষক, ১১৯ নম্বৰ বেটেলিয়ন চি আৰ পি এফৰ কমাণ্ডেণ্টৰ সৈতে জিলা আয়ুক্তগৰাকীয়ে নিৰ্বাচনী নিৰাপত্তা ব্যৱস্থাৰ পৰ্যালোচনা কৰে। জিলা আয়ুক্তগৰাকীয়ে লগতে উচ্চ পদস্থ আৰক্ষী বিষয়া আৰু চি আৰ পি এফৰ বিষয়াসকলৰ সৈতে যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ত স্থাপন কৰা টিয়ক বিধানসভা সমষ্টিৰ ভোটগণনা কেন্দ্ৰতো পৰিদৰ্শন কৰে। কেন্দ্ৰটো পৰিদৰ্শন কৰি জিলা আয়ুক্ত আৰু আৰক্ষী, চি আৰ পি এফৰ বিষয়াসকলে নিৰ্বাচনৰ বাবে সাজু কৰি তোলা ই ভি এম, ষ্ট্ৰং ৰূম, চি চি টিভি সংযোগ আৰু নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি প্ৰস্তুত কৰা বিভিন্ন কক্ষসমূহ নিৰীক্ষণ কৰে।

নগাওঁ জিলাতো ভোটাৰৰ মাজত সজাগতাৰ বাবে জিলা প্ৰশাসনে ব্যাপক কাৰ্যসূচী গ্ৰহণ কৰে।

শ্ৰীভূমি জিলাতো নিৰ্বাচনী প্ৰস্তুতি তীব্ৰ হৈ উঠিছে। শ্ৰীভূমি জিলা প্ৰশাসনে আজি প্ৰিজাইডিং বিষয়া আৰু প্ৰথম পোলিং বিষয়াসকলৰ বাবে গ্ৰুপ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰে। ৰবীন্দ্ৰ সদন কলেজ, জিলা গ্ৰন্থাগাৰ আৰু চিনিয়ৰ চেকেণ্ডাৰী স্কুল অৰ চায়েন্সত এই প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। ০০০০

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিম এছিয়াৰ পৰিস্থিতিক লৈ উদ্বেগ প্ৰকাশ কৰি পেট্ৰ'ল আৰু ডিজেলক লৈ বিশ্বৰ বিভিন্ন প্ৰান্তত সংকটৰ সৃষ্টি হোৱা বুলি প্ৰকাশ কৰিছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশবাসীক উদ্দেশ্যি শ্ৰীমোদীয়ে আজি কয়, যে অঞ্চলটো ভাৰতৰ চাহিদাৰ গুৰুত্ব কেন্দ্ৰ হোৱা বাবে বৰ্তমানৰ সময়ত প্ৰত্যাহ্বানপূৰ্ণ হৈ পৰিছে। তেওঁ কয়, যে বিগত এটা দশকত বিশ্বৰ বিভিন্ন দেশৰ সৈতে দেশৰ পৰা লাভ কৰা সমৰ্থন আৰু ভাৰতে গঢ়ি তোলা সামৰ্থ্যৰ বাবে দেশে এই পৰিস্থিতিৰ সন্মুখীন হ'বলৈ সমৰ্থ হৈছে। সাম্প্ৰতিক পৰিস্থিতিক লৈ উৰাবাতৰি প্ৰকাশ কৰি থকাসকলে দেশৰ গুৰুত্বৰ ক্ষতি কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। এনে উৰা বাতৰিত প্ৰতিয়ন নগৈ দেশবাসীক চৰকাৰী তথ্যত বিশ্বাস ৰাখিবলৈ তেওঁ আহ্বান জনায়। ইপিনে, দেশত সৌৰশক্তিৰ ব্যৱহাৰৰ সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰে। আজি দেশৰ বিভিন্ন স্থানত সৌৰশক্তি সুলভ হৈ পৰা বুলিও শ্ৰীমোদীয়ে উল্লেখ কৰে।

নিজৰ বক্তব্যত দেশৰ ঐতিহ্য-সংস্কৃতিৰ সংৰক্ষণত গুৰুত্ব দি প্ৰধানমন্ত্ৰীয়ে টাইসকলৰ প্ৰাচীন গ্ৰন্থ সংৰক্ষণ কৰি ৰখা অৰুণাচল প্ৰদেশৰ নামচাইৰ চাও নাংটিসিন্ধ লোকাং নামৰ ব্যক্তিজনৰ কথা উল্লেখ কৰে। এনে প্ৰাচীন পুথি-পাঁজি সংৰক্ষণ কৰি ৰখা ৰাজস্থান, পঞ্জাব আৰু লাডাখৰ বিভিন্ন ব্যক্তি-অনুষ্ঠানৰ তেওঁ নাম লয়।

প্ৰধানমন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য নাগালেণ্ডৰ বাসিন্দাসকলৰ বিষয়ে উল্লেখ কৰি কয়, যে নগা জনগোষ্ঠীয়ে শিক্ষাৰ মাধ্যমেৰে তেওঁলোকৰ অতীত আৰু ভৱিষ্যতৰ প্ৰস্তুতিক সংৰক্ষণ কৰি আহিছে। নগাসকলে নিজৰ জনজাতীয় পৰম্পৰাক অত্যন্ত সন্মান কৰে বুলি তেওঁ কয়, যে তেওঁলোকৰ পৰম্পৰাগত মৰুং শিক্ষা ব্যৱস্থাৰ জৰিয়তে জ্যেষ্ঠসকলে কনিষ্ঠসকলক পৰম্পৰাগত জ্ঞান, ইতিহাস আৰু জীৱনশৈলীৰ বিষয়ে তেওঁলোকৰ অভিজ্ঞতাৰ জৰিয়তে শিক্ষা দিয়ে। বৰ্তমান এই ব্যৱস্থা মৰুং শিক্ষা ব্যৱস্থা হিচাৰে প্ৰতিষ্ঠিত বুলি তেওঁ উল্লেখ কৰে। এই ব্যৱস্থাত জ্যেষ্ঠসকলে সাধুকথা, লোকগীত আৰু পৰম্পৰাগত খেলৰ জৰিয়তে জীৱনশৈলীৰ শিক্ষা দিয়ে। প্ৰধানমন্ত্ৰী মোদীয়ে জন সংৰক্ষণত গুৰুত্ব দি এই ক্ষেত্ৰত ত্ৰিপুৰাৰ জামপুই পাহাৰৰ ৩ হাজাৰ ফুট উচ্চতাত অৱস্থিত ৰাংমুন গাঁৱৰ বাসিন্দাসকলে ঘৰৰ মূধচত বৰষুণৰ পানী সংৰক্ষণেৰে পানীৰ অভাৱ পূৰণ কৰা কাৰ্যৰ প্ৰশংসা কৰে।

০০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাৰ আজি ৰাংখেড়েত হ'বলগীয়া খেলত মুম্বাই ইণ্ডিয়ানছ - কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাৰ পৰা অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে কাইলৈ গুৱাহাটীত হ'বলগীয়া আই পি এলৰ খেলত ৰাজস্থান ৰয়েলছ-চেন্নাই চুপাৰ কিংছৰ মুখামুখি হ'ব।

ooooo

ঃঃ সমাপ্ত ঃঃ